# বীৰ লাচিত বৰফুকন

লাচিত বৰফুকন অসমৰ ইতিহাসৰ এক নমস্য ব্যক্তি। এইজন ব্যক্তিৰ জন্ম হৈছিল আহোম ৰাজ্যৰ অন্তৰ্গত চে-ৰাই-ডয় নামৰ ঠাইত,১৬২২ চনৰ ২৪ নৱেম্বৰ তাৰিখে। তেখেতৰ পিতৃৰ নাম আছিল মোমাই তামূলী বৰবৰুৱা।

ৰাজকীয় পৰিয়ালত জন্মগ্ৰহণ কৰা বাবে লাচিতে সামৰিক আৰু অসামৰিক দুয়ো বিধ শিক্ষাই লবলগীয়া হৈছিল। লাচিতৰ জন্ম ৰাজকীয় পৰিৱেশত হোৱা বাবে কৰ্তব্যপৰায়ণ, কৰ্মনিষ্ঠা, সততা আদি গুণ পৰিয়ালৰ পৰাই পাইছিল। আহোমসকলৰ এটা বিখ্যাত ফৈদ হল লান ফিমা বংশ। এই ফৈদৰে লোক লাচিত। এই ফৈদৰ আদি পুৰুষজন চুকাফাৰ লগতে অসমলৈ আহিছিল।

লাচিতে একেদিনাই ফুকনলঙুৰ পদ পোৱা নাছিল। তেওঁ প্ৰথমতে আছিল ঘোঁৰা বৰুৱাৰ পদত। এই পদত থাকোঁতে তেওঁ অতি দুৰ্দান্ত ঘোঁৰাক বশ কৰিব পাৰিছিল। ঘোঁৰা বৰুৱা, দুলীয়া বৰবৰুৱা, শিমুলগুৰীয়া ফুকন, দোলাকাষৰীয়া বৰুৱা হোৱাৰ পিছতহে চাওপা চুপুংমুঙৰ ফুকনলুং হৈছিল।

দোলাকাষৰীয়া বৰুৱা পদত থাকোঁতে লাচিতৰ দক্ষতা চাওফাৰ চকুত পৰে। এদিনাখনৰ কথা- দোলাত বহি থকা চাওফাই লাচিতক মাতি আনি ক'লে "বঙাল শত্ৰু কাষতে আছে, কেনেকৈ ছৈয়দ ফিৰোজ আৰু ছৈয়দ চালাক ধৰিব পাৰি।" লাচিতে উত্তৰ দিলে "চাওফাৰ ৰাজ্যত মানুহ নাই নেকি? বঙালনো কি? মানুহহে ! আমাৰ ৰাজ্যত নোলাব নেকি তেনে মানুহ ? চাওফাই আদেশ দিবহে লাগে ।' তাৰ পিচতেই লাচিতক ফুকনলুঙৰ ভাৰ দিয়া হৈছিল। ফুকনলুং পদ পোৱাৰ আগতে লাচিতে আৰু এটা পৰীক্ষাৰ সন্মুখীন হৈছিল। লাচিতক চাওফাৰ ওচৰলৈ মাতি পঠিওৱা হল। চাওফাৰ সমুখত আঁঠু লব ধৰোঁতেই ক'ৰবাৰ পৰা লগুৱা এজন আহি লাচিতৰ মূৰৰ বস্ত্ৰ থাপ মাৰি লৈ গৈছিল। চাওফাই এইটো পৰিকল্পিতভাৱে কৰোৱাইছিল। লাচিতৰ স্বাভাৱিকতেই খং উঠিল আৰু থাপৰ পৰা হেংদাংখন উলিয়াই লগুৱাক খেদি গ'ল। চাওফাৰ হস্তক্ষেপত লগুৱা বাচিল । লাচিতৰ নিৰ্ভীকতা আৰু আত্মমৰ্যাদাৰ পৰীক্ষাত উত্তীৰ্ণ হ'ল। চাওফা চুপুংমুংই লাচিতক এখন সোণোৱালী হেংদাং পুৰস্কাৰ দি ফুকনলুং পদত অধিষ্ঠিত কৰিলে। লাচিতে দেহে কেহে খাটি ১৬৬৭ চনৰ জহকালি আহোমৰ সেনাবাহিনীক প্ৰশিক্ষণ দি মোগলৰ বিৰুদ্ধে যুঁজ দিবলৈ প্ৰস্তুত কৰি তোলে।

শৰাইঘাটৰ যুদ্ধৰ শেষৰ ফালে মোগলৰ বিৰাট সৈন্য বাহিনীৰ আগত আহোমৰ সৈন্যই জয়ৰ আশা বাদ দি পিছহুঁহকিবলৈ আৰম্ভ কৰিছিল। সেইসময়ত লাচিতৰ অতিপাত জ্বৰ উঠি আছিল। সেই নৰিয়া গাৰে এখন নৌকাত উঠি মোগলৰ বিৰুদ্ধে যুঁজ দিবলৈ আগবাঢ়ি আহিছিল আৰু সৈন্যসকলক উদ্দেশি কৈছিল, "অসমীয়া ৰণুৱা সকল মই যুঁজিহে মৰিম। নাইবা মোক বঙালে ধৰি লৈ যাওক তোমালোক সুখেৰে ঘৰলৈ যোৱা।" কথাখিনিয়ে সৈন্যসকলক উৎসাহ দিলে আৰু দুগুণ সাহসেৰে যুঁজি মোগলক পৰাস্ত কৰিলে ।

শৰাইঘাটৰ যুদ্ধ ১৬৭১ চনত সংঘটিত হৈছিল মোগল সাম্ৰাজ্য আৰু আহোম ৰাজ্যৰ মাজত। মোগল সেনাক নেতৃত্ব দিছিল ৰজা ৰামসিংহ আৰু আহোম সেনাক নেতৃত্ব প্ৰদান কৰিছিল লাচিত বৰফুকনে।এই যুদ্ধ ব্ৰহ্মপুত্ৰৰ শৰাইঘাটত (বৰ্তমানৰ গুৱাহাটীত) হৈছিল। আহোম সেনা মোগল সেনাৰ সন্মুখত দুৰ্বল আছিল যদিও গৰিলা যুদ্ধ কৌশল,কূটনীতি আৰু সমভূমিৰ উপযুক্ত ব্যৱহাৰ কৰি